BIKALI COLLEGE LIBRARY

*Total number of printed pages–8*

**14 (ASM 3086/3096/3106)**

**2024**

# ASSAMESE

Paper : ASM–3086/3096/3106

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

Paper : ASM–3086

## *(Modern Indian Literature)*

৮নং প্ৰশ্ন আৰু *যিকোনো পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখিবা ঃ

১২×৫=৬০

১। "ভাৰতীয় সাহিত্য মূলতঃ ভাৰতীয় মন আৰু আত্মাৰ অনুগুঞ্জনৰে ধ্বনিত-প্ৰতিধ্বনিত সাহিত্য।" — এই উক্তিৰ আধাৰত ভাৰতীয় সাহিত্য-সম্পৰ্কীয় ধাৰণাৰ বিৱৰ্তন সম্পৰ্কে তোমাৰ ধাৰণা স্পষ্ট কৰা।

২। তুলনামূলক সাহিত্য-সম্পৰ্কীয় ধাৰণা গঢ়ি তোলাত অনুবাদৰ ভূমিকা কেনেধৰণৰ — এই সম্পৰ্কে এটি সমীক্ষা প্ৰস্তুত কৰা।

*Contd.*

BIKALI COLLEGE LIBRARY

৩। আধুনিক ভাৰতীয় সাহিত্যৰ বিকাশত মিছনেৰীসকলৰ ভূমিকা কেনেধৰণৰ? ভাৰতীয় জাতীয়তাবাদী চিন্তাৰ বিকাশত জাতীয়তাবাদী আন্দোলনৰ প্ৰভাৱ কেনেদৰে পৰিছিল, সমসাময়িক হিন্দী, বাংলা আৰু অসমীয়া কবিতাৰ আধাৰত বিচাৰ কৰা।

৪। সাহিত্যৰ ধাৰা বুলিলে কি বুজা? অসমীয়া আৰু হিন্দী উপন্যাসৰ বিভিন্ন ধাৰাৰ এটি সমীক্ষা আগবঢ়োৱা।

৫। গান্ধীবাদ বুলিলে কি বুজা? 'মাটিৰ মানুষ' উপন্যাসত গান্ধীবাদী চিন্তাৰ প্ৰতিফলন কেনেদৰে ঘটিছে, বিচাৰ কৰা।

৬। 'অজ্ঞেয়'ৰ জয়দোল গল্পৰ কাহিনী নিৰ্মাণত গল্পকাৰে কেনেধৰণৰ কলা-কৌশল (technique)ৰ প্ৰয়োগ কৰিছে, গল্পৰ কাহিনীৰ আধাৰত বিচাৰ কৰা।

৭। 'এ কথা জানিতে তুমি' কবিতাটোৰ অন্তৰ্নিহিত ভাব আৰু বিষয়ৰ সৈতে সাদৃশ্যযুক্ত আন এটি ভাৰতীয় কবিতাৰ ভাববস্তু আৰু শিল্পৰূপৰ তুলনা দাঙি ধৰা।

৮। *যিকোনো চাৰিটা* বিষয়ে লিখা : ৫×৪=২০

(ক) হিন্দী কহানী সাহিত্য (স্বৰাজোত্তৰ কাল)

(খ) ছায়াবাদ আৰু মহাদেৱী বাৰ্মাৰ কবিতা

BIKALI COLLEGE LIBRARY

(গ) প্ৰেমচন্দ্ৰৰ উপন্যাসত চিত্ৰিত সমসাময়িক সমাজ

(ঘ) আধুনিক ভাৰতীয় চুটিগল্পত প্ৰতীকৰ প্ৰয়োগ

(ঙ) জাতীয়তাবাদী চিন্তাৰ বিকাশত সংবাদপত্ৰৰ ভূমিকা

(চ) ৰবীন্দ্ৰনাথ ঠাকুৰৰ গল্পত সাৰ্বজনীন মানৱতাবাদ

(ছ) বঙ্গদেশৰ সংস্কাৰবাদী আন্দোলন আৰু ভাৰতীয় সাহিত্যত তাৰ প্ৰভাৱ

---

BIKALI COLLEGE LIBRARY

# Paper : ASM–3096

## *(Assamese Vaisnavite, Saiva and Sakta Literature)*

১১নং প্ৰশ্ন আৰু *যিকোনো পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখিবা।

১। বৈষ্ণৱ ধৰ্মৰ প্ৰাচীনত্ব বিচাৰ কৰি ভাৰতবৰ্ষত ইয়াৰ উদ্ভৱ আৰু বিকাশ সম্বন্ধে এটি আলোচনা আগবঢ়োৱা। ৪+৮=১২

*অথবা*

২। সৰ্বভাৰতীয় পৰ্য্যায়ত সূত্ৰপাত হোৱা বৈষ্ণৱ আন্দোলনৰ লগত অসমৰ বৈষ্ণৱ ধৰ্মৰ কোন কোন ক্ষেত্ৰত সাদৃশ্য আৰু বৈসাদৃশ্য পৰিলক্ষিত হয় বিচাৰ কৰি এটি নিবন্ধ যুগুত কৰা।৬+৬=১২

৩। অদ্বৈত বেদান্তৰ স্বৰূপ ব্যাখ্যা কৰি শঙ্কৰদেৱৰ 'কীৰ্ত্তন ঘোষা'ৰ হৰমোহন আৰু বেদস্তুতি অধ্যায়ৰ মাজেদি ইয়াৰ কেনেদৰে প্ৰকাশ ঘটিছে বিচাৰ কৰা। ৪+৮=১২

*অথবা*

৪। মাধৱদেৱে 'নামঘোষা' ৰচনাৰ গুৰি কথা দাঙি ধৰি গ্ৰন্থখনৰ প্ৰথম দুটা ঘোষাৰ তাৎপৰ্য্য বিচাৰ কৰা। ৪+৮=১২

৫। নৱবিধ ভক্তিৰ স্বৰূপ দাঙি ধৰা আৰু ইয়াৰ ভিতৰত শঙ্কৰদেৱে শ্ৰৱণ আৰু কীৰ্তনক প্ৰধান স্থান দিয়াৰ কাৰণ ব্যাখ্যা কৰা। ৮+৪=১২

BIKALI COLLEGE LIBRARY

*অথবা*

৬। অসমীয়া শৈৱ আৰু শাক্ত সাহিত্যৰ আভাস দি ইয়াৰ ধৰ্মীয় তাৎপৰ্য্য বিচাৰ কৰা। ৮+৪=১২

৭। 'শিৱ পুৰাণ'ৰ ৰচক ৰুদ্ৰসিংহৰ পৰিচয় দিয়া আৰু গ্ৰন্থখনক পুৰাণ হিচাবে বিচাৰ কৰিবলৈ তোমাৰ যুক্তিযুক্ততা দাঙি ধৰা। ৬+৬=১২

*অথবা*

৮। ৰুদ্ৰসিংহৰ 'শিৱ পুৰাণ'খনত শিৱৰ স্বৰূপ কিদৰে উপস্থাপিত হৈছে আলোচনা কৰা। গ্ৰন্থখনত শিৱৰ লগত বিষ্ণুৰ সম্পৰ্ক সম্বন্ধে কিবা আভাস পোৱা যায় নেকি বিচাৰ কৰা। ৬+৬=১২

৯। ৰুচিনাথ কন্দলিৰ পৰিচয় দিয়া আৰু তেওঁৰ 'শ্ৰীশ্ৰী চণ্ডী' কাব্যত বৰ্ণিত মহিষাসুৰ বধ আখ্যানৰ জৰিয়তে দেৱী-মাহাত্ম্য কেনেদৰে প্ৰকাশ পাইছে বিচাৰ কৰা। ৬+৬=১২

*অথবা*

১০। "ৰুচিনাথ কন্দলিৰ 'শ্ৰীশ্ৰী চণ্ডী' কাব্য মাৰ্কণ্ডেয় পুৰাণৰ দেৱী মাহাত্ম্যৰ ওপৰত প্ৰতিষ্ঠিত।" — এই মন্তব্যৰ আঁত ধৰি 'শ্ৰীশ্ৰী চণ্ডী'ত 'মাৰ্কণ্ডেয় পুৰাণ'ৰ উপাদান কিমানখিনি গ্ৰহণ কৰা হৈছে বিচাৰ কৰি এটি নিবন্ধ যুগুত কৰা। ১২

BIKALI COLLEGE LIBRARY

১১। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) অদ্বৈত আৰু বিশিষ্টাদ্বৈত বাদ

(খ) বেদান্ত আৰু ভাগৱত

(গ) কালিকা আৰু চামুণ্ডা

(ঘ) অন্তৰঙ্গা আৰু সপ্রেমা ভক্তি

(ঙ) বিষ্ণুলোক আৰু শিৱলোক

(চ) শৈৱ আৰু শাক্ত ধৰ্ম

BIKALI COLLEGE LIBRARY

# Paper : ASM–3106

## ( *Structure of Assamese Language* )

২নং প্ৰশ্ন আৰু *যিকোনো পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখিবা।

১। তলৰ *যিকোনো পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১২×৫=৬০

(ক) তলত দিয়া শব্দকেইটাত (ভ) আৰু (ভ়) ধ্বনিৰ প্ৰয়োগ দেখা গৈছে। (ভ) আৰু (ভ়) দুটা পৃথক বৰ্ণ নে একে বৰ্ণৰ উপধ্বনি কেনেকৈ নিৰ্ণয় কৰিবা? উপধ্বনি হ'লে বুৎপন্ন উপধ্বনিটো কি পৰিবেশত উৎপন্ন হয় আৰু কেনেদৰে উচ্চাৰণ কৰা হয় লিখা। |ভ| বৰ্ণৰ শব্দৰ মধ্য স্থানত কেনেধৰণৰ পৰিৱৰ্তন ঘটে? ৩+৫+৪=১২

ভেদ, ভাল, সৌৰভ়, ভকত, লাভ়, সুলভ়, ভাৰত, ভিতৰ, ভুল

(খ) সন্ধি কি? অসমীয়া ভাষাৰ শাব্দিক সন্ধি আৰু বাক্য সন্ধিৰ বিষয়ে বহলাই লিখা। ২+১০=১২

(গ) অসমীয়া ভাষাৰ সৰ্গসমূহক কি কি ভিত্তিত কেনেধৰণে শ্ৰেণীবিভাজন কৰিব পাৰি, উদাহৰণসহ ব্যাখ্যা কৰা।

(ঘ) ব্যাকৰণগত বিষয় বুলিলে কি বুজা? অসমীয়া ভাষাৰ ব্যাকৰণগত বিষয় সম্পৰ্কে বিশ্লেষণ কৰা। ২+১০=১২

BIKALI COLLEGE LIBRARY

(ঙ) "ডাঙৰ কুকুৰটো বাহিৰত বহে।" এই বাক্যটোৰ বিশেষ্য শব্দগুচ্ছ (NP) আৰু আভ্যন্তৰীণ গঠন চিনাক্ত কৰা। লগতে বিশেষ্য আৰু ইয়াৰ পৰিৱৰ্তকসমূহ কেনেকৈ গঠন কৰা হৈছে তাক দেখুৱাই শব্দগুচ্ছৰে সৈতে সমগ্ৰ বাক্যটোৰ বৃক্ষচিত্ৰ অংকন কৰা। ৪+৮=১২

(চ) বাক্যৰ অৰ্থ কোনবোৰ বিষয়ৰ ওপৰত নিৰ্ভৰশীল আলোচনা কৰা।

(ছ) বাৰ্তালাপৰ সহযোগিতা নীতি আৰু ইংগিতাৰ্থৰ সম্পৰ্ক বিশ্লেষণ কৰা।

২। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) লিঅনাৰ্ড ব্লুমফিল্ডৰ নিকটস্থ অংগৰ ধাৰণা

(খ) অসমীয়া ধ্বনিৰ মুক্ত বিকল্প প্ৰয়োগ

(গ) অসমীয়া ভাষাৰ পুৰুষবাচক নামবিভক্তি

(ঘ) অসমীয়া ক্ৰিয়া সাধনৰ বৈশিষ্ট্য

(ঙ) অৰ্থতত্ত্ব

(চ) প্ৰতিপন্নকৰণ

---